**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ২৮ খন জিলাৰ প্ৰায় ২২ লাখ লোক এতিয়াও বানৰ কবলত আছে। বানত বিগত ২৪ ঘণ্টাত ৮ জন লোকে প্ৰাণ হেৰুওৱাৰ ফলত ৰাজ্যখনত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৬ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ৯৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। বিগত ২৪ ঘণ্টাত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু অন্যান্য উদ্ধাৰকাৰী বাহিনীয়ে বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। প্ৰশাসনে স্থাপন কৰা ২৬৯টা আশ্ৰয় শিবিৰত ৫৩ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে আন কেইবাখনো নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। বিগত ২৪ ঘণ্টাত অন্যান্য আন্তঃগাঁথনিৰ লগতে ১৭২টা পথ আৰু ৬ খন দলং ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানত ১৫ লাখৰো অধিক পশুধনৰ ক্ষতি হৈছে।

মন্ত্ৰী কেশৱ মহন্তই আজি জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কাষৰীয়া বান ক্ষতিগ্ৰস্ত অঞ্চলৰ আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা জনসাধাৰণৰ সৈতে মত বিনিময় কৰাৰ উপৰি খাদ্য সামগ্ৰীৰ ব্যৱস্থাপনা, চিকিৎসা সেৱা আদিৰ বুজ লয়। তেওঁ বৰভগীয়া ৰাতুলঘাট, এৰাকলং মাজুলী আদি অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ইফালে, ইউনিচেফৰ এটা দলে আজি টিংখাং ৰাজহ চক্ৰৰ ধানপুৰ মজলীয়া বিদ্যালয় আৰু বালিয়নি বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। দলটোৱে শিবিৰত থকা মহিলা, শিশু তথা কিশোৰীসকলৰ বাবে উপলব্ধ সা-সুবিধাৰ বুজ লোৱাৰ উপৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ দ্বাৰা শিবিৰত চলাই থকা কাৰ্যকলাপ সম্পৰ্কেও অৱগত হয়।

বানৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে চলাচল কৰা উজনি আৰু নামনি অভিমুখী যান-বাহনসমূহক আৰক্ষী আৰু বন বিভাগৰ বাহনৰ জৰিয়তে এছক'ৰ্ট প্ৰদান কৰি চলাচল কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনত চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে প্ৰথমবাৰলৈ থাৰ্মেল ড্ৰোণৰ ব্যৱহাৰ কৰা হৈছে। বানৰ সময়ত বন্য জন্তুৰ সুৰক্ষাৰ বাবে উদ্যান কৰ্তৃপক্ষই তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি এই পদক্ষেপ লৈছে। উল্লেখযোগ্য যে বানৰ সময়ত ৰাষ্ট্ৰীয় উদনৰ পৰা ওলাই অহা বন্য জন্তুসমূহে কাৰ্বি পাহাৰৰ লগতে জনাঞ্চলতো আশ্ৰয় লৈ আছে। এনেক্ষেত্ৰত চোৰাং চিকাৰীয়ে যাতে জীৱ-জন্তুসমূহৰ ক্ষতি কৰিব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনৰ ৬৯ টা বন শিবিৰ জলমগ্ন হৈ আছে। আনহাতে, ১৩১ টা বন্যপ্ৰাণীৰ মৃত্যু হোৱাৰ বিপৰীতে ৯৭ টা বন্য জন্তু উদ্ধাৰ কৰা হৈছে।

কৰিমগঞ্জ জিলাৰ বিভিন্ন অঞ্চল বানত বুৰ গৈছে। জিলাখনৰ নিলাম বজাৰ, কৰিমগঞ্জ সদৰ বদৰপুৰ আৰু পাথাৰকান্দি ৰাজহ চক্ৰৰ ৬০ টা অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত স্থাপন কৰা ৪২ টা শিবিৰত ৩ হাজাৰ ৫০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। জিলাখনত ৪০ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। গোলাঘাট জিলাৰ বোকাখাতৰ কুৰুৱাবাহী নিকৰি ঘাটত ধনশিৰি নৈত পৰি এজন লোক সন্ধানহীন হোৱা বুলি জানিব পৰা গৈছে।

ডিব্ৰুগড় জিলা আয়ুক্তই আজি জিলাখনৰ পশ্চিম ৰাজহ চক্ৰৰ অন্তৰ্গত নগাখেলিয়া আৰু ম'হ পোৱালিমৰা শিৱ মন্দিৰৰ সমীপত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন কৰাৰ লগতে জলসম্পদ বিভাগে দুয়োটা অঞ্চলত চলাই থকা কাম-কাজৰ বুজ লয়। একেদৰে ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিবে আজি যোৰহাট জিলাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। নগাঁও জিলাৰ কলিয়াবৰত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। কলং নৈৰ বাঢ়নী পানীয়ে ন ন অঞ্চল প্লাৱিত কৰিছে। এতিয়ালৈ কলিয়াবৰত ৬০ হাজাৰ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। হাইলাকান্দি জিলাৰ এটা

পথ বানে ছিঙি নিয়াৰ ফলত জিলাখনৰ নিমাইচান্দপুৰৰ পৰা মনচ'ৰাৰ মাজত যোগাযোগ ব্যাহত হৈ পৰিছে। বিগত কেইবাদিন ধৰি ধাৰাসাৰ বৰষুণৰ ফলত কাটাখাল নৈৰ বাঢ়নী পানীয়ে নিমাইচান্দপুৰৰ মথাউৰি চিঙি পেলোৱাৰ ফলত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। ইপিনে দুলীয়াজানত বুঢ়ীদিহিং নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ভালেমান অঞ্চল প্লাৱিত হৈছে। দুলীয়াজান সমষ্টিৰ টেঙাখাটত মথাউৰি চিগাৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। অসম চৰকাৰৰ চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিবে আজি মৰিগাঁও জিলাৰ বিভিন্ন বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। তেওঁ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ বানৰ সময়ছোৱাত জনসাধাৰণৰ সুৰক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা ল'বলৈ সংশ্লিষ্টসকলক নিৰ্দেশ দিয়ে।

০০০০০০০০

মহানগৰ আৰক্ষীয়ে এটা মানৱ সৰবৰাহকাৰী চক্ৰক উৎখাত কৰি বিহাৰৰ পৰা গুৱাহাটীৰ দুগৰাকী কিশোৰীক উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে, যোৱা ২৮ জুনৰ পৰা গুৱাহাটীৰ দুগৰাকী কিশোৰী সন্ধানহীন হৈ আছিল। এই সন্দৰ্ভত ভঙাগড় থানাত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত আৰক্ষীয়ে বিহাৰৰ পূৰ্ণিয়াত অভিযান চলাই কিশোৰী দুগৰাকীক উদ্ধাৰ কৰে।

০০০০০০০

অসম ডবা সন্থাৰ সহযোগত আৰু জিলা ডবা সন্থাৰ উদ্যোগত নগাঁৱত অহা ১৬ জুলাইৰ পৰা ২০ জুলাইলৈ আন্তঃজিলা মুকলি ডবা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নগাঁও ছোৱালী মহাবিদ্যালয় প্ৰেক্ষাগৃহত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ ৩০ খন জিলাৰ ২০০ গৰাকী প্ৰতিযোগিয়ে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব। চুইছলীগ পদ্ধতিত হ'বলগীয়া প্ৰতিযোগিতাখন ৯টা ৰাউণ্ডত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০০০

**সমাপ্ত**